# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-SEP-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত অংশ লৈ উপ-ৰাষ্ট্ৰপতিৰ ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ অগ্ৰগতিৰ প্ৰশংসা।

২। অনাগত ৩ বছৰত ৰাজ্যত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে প্ৰটন বীম থেৰাপি ব্যৱহাৰৰ বিষয়ে মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। উপ-ৰাষ্ট্ৰপতিৰ উপস্থিতিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ মহাবিদ্যালয়খনৰ ৫০ বছৰীয়া সফলতাত আলোকপাত।

৪। বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত আৰক্ষীৰ অভিযানত ৯ জন অবৈধ বাংলাদেশীক আটক।

**আৰু**

৫। ৪৬ সংখ্যক নৰোত্তম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অনুপ বৰ্মনে উদ্বোধনী ভাষণ দিয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি সম্ভাষণ জনোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ডিগ্ৰী আৰু ডিপ্লোমা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক শপত বাক্য পাঠ কৰোৱায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত চি পি ৰাধাকৃষ্ণণৰ এয়া প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰে। তেওঁ কয় যে দেশ স্বাধীন হোৱাৰ পাছত ৰাজ্যত মাত্ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল আৰু সম্প্ৰতি এই সংখ্যা ১৪লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পুনৰ ৯খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আগবাঢ়িছে বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি গঠন কৰা কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে অনাগত ৩ বছৰত ৰাজ্যত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে প্ৰটন বীম থেৰাপি ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে স্বাস্থ্য খণ্ডত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ অগ্ৰগতিক প্ৰশংসা কৰে। তেওঁ নিচামুক্ত অসম গঢ়াৰ বাবে সকলোকে শপতবাক্য পাঠ কৰোৱায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰী আৰু ডিপ্লোমাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

**বাইট (উপ-ৰাষ্ট্ৰপতি)**

ইয়াৰ আগেয়ে আজি দিনৰ ভাগত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয়, যে সম্প্ৰতি মহিলাৰ অধিকাৰক প্ৰাধান্য দিয়াৰ ঐতিহাসিক ৰূপান্তৰ হৈছে। শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীক কেৰিয়াৰৰ বাবে সাজু কৰি তোলাৰ লগতে গণতন্ত্ৰ আৰু সমাজৰ উপযোগীকৈ সাজু কৰি তুলিব লাগে বুলি শ্ৰীৰাধাকৃষ্ণণে মত প্ৰকাশ কৰে। গীতানগৰ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনি, পৰিৱেশ সম্পৰ্কীয় পদক্ষেপ, সাক্ষৰতা, স্বাস্থ্য সজাগতাকে ধৰি বিভিন্ন দিশত সামূহিক অংশগ্ৰহণৰ জৰিয়তে কাম কৰাক লৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তুষ্টি ব্যক্ত কৰে। তেওঁ অসমক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ বুলি উল্লেখ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱ বৈষ্ণৱ ধৰ্মৰ লগতে ভাষা-সাহিত্য, সংস্কৃতিলৈ অৱদান আৰু লাচিত বৰফুকনৰ বীৰত্বৰ কথাও সোঁৱৰণ কৰে। তদুপৰি অসমৰ চাহৰ বিষয়েও তেওঁ প্ৰশংসাসূচক মন্তব্য কৰে। তেওঁ বিগত কেইবছৰমানত অসমৰ দ্ৰুতি বিকাশ হৈছে বুলিও উল্লেখ কৰে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই অনুষ্ঠানত অংশ লৈ ৫০ বছৰ সম্পূৰ্ণ কৰাৰ বাবে গীতানগৰ মহাবিদ্যালয় কৰ্তৃপক্ষক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে ১৯৭৭ চনত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কালত মহিলা মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। সেই সময়ত নাৰী শিক্ষাৰ সুবিধা তেনেই সীমিত আছিল বুলি তেওং কয়। ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষা পদ্মশ্ৰী সন্মানেৰে সন্মানিত ইন্দিৰা মিৰিৰ প্ৰতিও শ্ৰদ্ধা জ্ঞাপন কৰে।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমৰ উন্নয়নৰ বিভিন্ন দিশ আলোকপাত কৰে। তেওঁ গীতানগৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ষ্টাৰ্টআপ আৰু উদ্যমিতাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিবলৈ আহ্বান জনায়।

**বাইট (চি এম)**

ইয়াৰ আগেয়ে উপ-ৰাষ্ট্ৰপতিগৰাকী দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিমান বন্দৰত উপ-ৰাষ্ট্ৰপতিগৰাকীকআদৰণি জনায়।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰহিত তথা দৃষ্টিৰহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞ্চি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০

বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত অভিযান চলাই আৰক্ষীয়ে ৯ জন অবৈধ বাংলাদেশীক আটক কৰিছে। বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে আজি সংবাদমেলযোগে এই কথা সদৰি কৰে। শেহতীয়াকৈ অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে কঠোৰ নিৰ্দেশ দিয়াৰ পৰিপ্ৰেক্ষিতত যোৱা নিশাৰ পৰা আজি দুপৰীয়া পৰ্যন্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কেইবাটাও স্থানত অভিযান চলাইছিল। অভিযানকালত আটক কৰা ৯ জন লোকৰ ভিতৰত ৭ গৰাকী মহিলা আৰু দুজন পুৰুষ। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা অনুসৰি এই লোকসকলে দীৰ্ঘদিন ধৰি বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত বসবাস কৰি আছিল।

ooooo

বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে বছৰজোৰা উদযাপন কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত কাৰ্যসূচীৰ পৰহিলৈ অৰ্থাৎ ৮ ছেপ্তেম্বৰত সামৰণি পৰিব। এই উপলক্ষে কালি পাঞ্জাবাৰীৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত ড০ ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি কলকাতাৰ অসম ভৱনত  শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি মানুহে মানুহৰ বাবে শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পৰহিলৈ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উদ্যোগত কলাক্ষেত্ৰত মহামিলনৰ তীৰ্থ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা গুৱাহাটীৰ জালুকবাৰীৰ ড০ ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰত সুধাকণ্ঠলৈ  শ্ৰদ্ধাৰ্ঘ্য  জনোৱাৰ লগতে ড০ ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই উপলক্ষে বিশেষ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

অসম আবৃতি আৰু সংস্কৃতি পৰিষদৰ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত বছৰজোৰা কাৰ্যসূচীৰে পালন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ আজি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত সুধাকণ্ঠক মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত সুধাকণ্ঠৰ স্মৃতিত বিশিষ্ট শিক্ষাবিদ তথা আবৃতিকাৰ ড০ অমৰজ্যোতি চৌধুৰীয়ে ৰচনা কৰা **মৃত্যু জিনাৰ গান- এটা গান শেষ হ'ল** শীৰ্ষক কবিতাটো আবৃতি কৰা হয়।

আকাশবাণী গুৱাহাটী আৰু তেজপুৰ কেন্দ্ৰই শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত পৰহিলৈ তেজপুৰৰ জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত সন্ধিয়া ৬ বজাত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই **গাম তোমাৰেই গান** শীৰ্ষক এখন সংগীতালেখ্য পৰিবেশন কৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এয়া আমাৰ বিশেষ প্ৰতিবেদন-

ooooo

অসমৰ লগতে বিশ্বৰ অগণন শ্ৰোতা-জনতাক বাছকবনিয়া গীতৰ ভাষাৰে মন্ত্ৰীমুগ্ধ কৰা জনতাৰ প্ৰাণৰ শিল্পী ড০ ভূপেন হাজৰিকাৰ গীত আছিল মানৱতাবাদৰ প্ৰতিভূ। এগৰাকী সংগীত শিল্পী বা গীতিকাৰ হিচাপে

নহয়, মানুহৰ মনৰ ভাষা, যন্ত্ৰমা আৰু আবেগ গভীৰভাৱে উপলব্ধি কৰা শিল্পীগৰাকীৰ গীত প্ৰকৃতাৰ্থতেই আছিল মানুহৰ বাবে।

গান (মানুহে মানুহৰ বাবে)

বুঢ়া লুইতৰ বিস্তীৰ্ণ জলৰাশিৰ দৰে তেওঁৰ চিন্তা আৰু দৰ্শনো আছিল সৰ্বব্যাপী আৰু সামগ্ৰিক। মাটিৰ গোন্ধ আৰু চহা জীৱনৰ স্পন্দন অনুভূত হোৱা এই গীতত মানৱতাৰ প্ৰতি সুতীব্ৰ আহ্বানৰ সুৰ শুনা যায়। প্ৰতিটো শব্দত ধ্বনিত হয় মাটি আৰু মানুহৰ প্ৰতি অকৃত্ৰিম ভালপোৱা।

গীত (অ' মোৰ ধৰিত্ৰী আই)

শ্ৰমজীৱি জনসাধাৰণ, নিঃস্ব আৰু আৰ্তজনৰ কথা সুধাকণ্ঠৰ গীতে সুৰীয়াভাৱে শ্ৰোতাৰ মাজলৈ লৈ যায়। মানৱতাবাদী চেতনাক অনন্য উচ্চতা প্ৰদান কৰা কিম্বদন্তী শিল্পীগৰাকীৰ গীতত মানুহৰ প্ৰতি দায়বদ্ধতা, সহমৰ্মিতা আৰু ভালপোৱাৰ বাৰ্তা আজিও সমানেই প্ৰাসঙ্গিক। অনাগত সময়তো মানৱতাৰ এই চেতনাৰে তেওঁ প্ৰতিটো প্ৰজন্মৰ মাজত প্ৰবাহিত হ'ব।

গীত (দোলা হে দোলা)

ooooo

ৰাজ্যৰ হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি বৰপেটাৰ গণককুছিৰ হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি অভাৱ-অভিযোগৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ আধুনিকীকৰণৰ বাবে প্ৰয়োজনীয় পুঁজি আবণ্টনৰ আশ্বাস দিয়ে। তেওঁ প্ৰশিক্ষাৰ্থীসকলক স্বনিয়োজনত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত হস্ততাঁত বস্ত্ৰশিল্প বিভাগে বিভাগীয় আঁচনিসমূহৰ জৰিয়তে সহায়-সহযোগিতা আগবঢ়াব বুলিও মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। ক্ৰীড়া বিভাগৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰীদৈমাৰীয়ে বৰপেটাৰ ৰামৰায়  ষ্টেডিয়ামখনো পৰিদৰ্শন কৰে। অৰ্ধনিৰ্মিত ষ্টেডিয়ামখনক পূৰ্ণাংগ ৰূপ দিবলৈ মন্ত্ৰীগৰাকীক বৰপেটাৰ ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিসকলে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি হাউলীৰ ৰেচম পাম পৰিদৰ্শন কৰি অভাৱ-অভিযোগৰ বুজ লয়। তেওঁ পামখনক অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে  ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশ্বাস দিয়ে।

ooooo

হাইলাকান্দি জিলাৰ শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে শ্ৰী কিষাণ সাৰদা মহাবিদ্যালয়ত আজি উড়ান নামৰ বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। হাইলাকান্দিৰ বিধায়ক ডা০ মিলন দাসৰ উদ্যোগত শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ অধীনত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা শিক্ষাৰ্থীসকলক উন্নত শৈক্ষিক সহায়, কেৰিয়াৰ গাইডেন্স আৰু বিশেষজ্ঞৰ পৰামৰ্শ প্ৰদান কৰা হ'ব। জিলাখনৰ ৯০০ গৰাকী শিক্ষাৰ্থীক ২২ দিন ধৰি এই প্ৰশিক্ষণ দিয়া হ'ব। বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ আৰু বিশেষজ্ঞই এই প্ৰশিক্ষণ প্ৰদান কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজীৱ মোহন পন্ত, জিলা আয়ুক্ত জয় বিকাশ, হাইলাকান্দিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হা, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মানবেন্দ্ৰ ৰয়কে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসম লোকসেৱা আয়োগে ২০২৫ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অহা ৯, ১০ আৰু ১১ অক্টোবৰত গুৱাহাটীৰ বিভিন্ন কেন্দ্ৰত পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলে অসম লোকসেৱা আয়োগৰ ৱেবছাইট www.aspc.nic.in-ৰ জৰিয়তে অহা ১৮ আৰু ১৯ ছেপ্তেম্বৰত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থা, চমুকৈ এবছুৰ ৫৯ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনখন এইবাৰ চিৰাং জিলাৰ সদৰ কাজলগাঁৱত অনুষ্ঠিত হ'ব। এই উপলক্ষে কাজলগাঁওস্থিত উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয়ৰ প্ৰাংগণত আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত আয়োজিত সভাখনত এবছুৰ চিৰাং জিলাৰ সভাপতি দিলীপ কুমাৰ বসুমতাৰীয়ে সভাপতিত্ব কৰে। সভাত অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত কুমাৰ বসুমতাৰী আৰু মুখ্য আহ্বায়ক হিচাপে ৰাজা দেৱজিৎ বসুমতাৰীক লৈ এখন সমিতি গঠন কৰা হয়। আজিৰ সাধাৰণ সভাত এবছুৰ কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনখন অহা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ খেলপথাৰত চলি থকা ৪৬ সংখ্যক নৰোৰাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল অনুষ্ঠিত হ'ব। অইল ইণ্ডিয়া এফ চি আৰু নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ মাজত হ'বলগীয়া খেলখনৰ চলন্ত বিৱৰণী আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি সন্ধিয়া ৭ বাজি কুৰি মিনিটৰ পৰা প্ৰচাৰ কৰিব। প্ৰবাল কুমাৰ শৰ্মাৰ প্ৰযোজনাত খেলখনৰ ধাৰা বিৱৰণী আগবঢ়াব জিতেন্দ্ৰ শৰ্মা আৰু অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই।

০০০০০

সমাপ্ত